# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 16-12-2025 **Time :** 1100 Hrs.

0000000000

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানি গ্ৰহণ কৰা হ'ব। অভিযুক্ত পক্ষক অভিযোগনামাৰ প্ৰতিলিপি প্ৰদানৰ বাবে এছ্ আই টিৰ দল বাক্সা আৰু হাফলঙলৈ ৰাওনা হৈছে। এই প্ৰতিলিপি তেওঁলোকে লাভ কৰাৰ পাছতেই সাতোগৰাকী অভিযুক্তক আজি আদালতত ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। উল্লেখযোগ্য যে আদালতে এই গোচৰৰ অভিযোগনামা গ্ৰহণ কৰি অভিযুক্তকেইজনক সোঁশৰীৰে আদালতত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিছিল যদিও আইন শৃংখলাজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক তেনেদৰে হাজিৰ কৰোৱাত অসুবিধা আছে বুলি অসম আৰক্ষীয়ে আদালতত লিখিতভাৱে প্ৰকাশ কৰে। অভিযুক্তকেইজনক ভাৰ্চুৱেলী আদালতত হাজিৰ কৰোৱাৰ অনুমতি বিচাৰি আৰক্ষীয়ে আবেদন দাখিল কৰে। এই মৰ্মে তেওঁলোকক আজি ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। চৰকাৰী পক্ষৰ অধিবক্তা প্ৰদীপ কোঁৱৰে প্ৰকাশ কৰা মতে আজি অভিযুক্তসকলৰ মতামত গ্ৰহণ নকৰে বৰং স্বাস্থ্যজনিত দিশবোৰ নিৰীক্ষণ কৰিব। তেওঁলোকক আদালতত হাজিৰ কৰোৱাৰ পৰৱৰ্তী তাৰিখো আজি নিৰ্ধাৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইতিমধ্যে কামৰূপ মহানগৰ জিলাৰ আইন সেৱা প্ৰাধিকাৰীয়ে অভিযুক্তসকলৰ বাবে এজন অধিবক্তা নিযুক্তি দিছে যদিও তেওঁ শুনানিত অংশ ল'ব নে নাই সেয়া নিশ্চিত হোৱা নাই।

উল্লেখযোগ্য যে আদালতৰ নিয়ম অনুসৰি প্ৰথমটো শুনানিৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তক আদালতত অভিযোগনামাৰ প্ৰতিলিপি দিয়া হয়। বাক্সাৰ নিকাছী কাৰাগাৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, সন্দীপন গাৰ্গৰ লগতে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৈশ্যক ৰখা হৈছে। আনহাতে, আন দুজন অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত হাফলঙৰ কাৰাগাৰত আছে। আজি এই শুনানিৰ সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে এইদৰে মত প্ৰকাশ কৰে।

বাইট (বিজন মহাজন)

০০০০০০০০

সমগ্ৰ দেশে আজি ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে হোৱা যুঁজত ভাৰতৰ জয়ৰ স্মৃতিত বিজয় দিৱস উদযাপন কৰিছে। প্ৰতিবছৰে আজিৰ দিনটোত বীৰ ছহিদসকলৰ সৰ্বোচ্চ ত্যাগৰ কাহিনীক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। আজিৰ দিনটোতে ১৯৭১ চনত পাকিস্তানী সেনা বাহিনীৰ মুৰব্বী জেনেৰেল এ এ খান নিয়াজিয়ে ৯৩ হাজাৰ সেনাবাহিনীৰ সৈতে ভাৰতীয় সেনাৰ সন্মুখত বিনা চৰ্তে আত্মসমৰ্পণ কৰিছিল। এই যুদ্ধৰ সমাপ্তিত পূব পাকিস্তানৰ পৰিৱৰ্তে বাংলাদেশ হিচাপে এখন নতুন ৰাষ্ট্ৰ গঠন হৈছিল। বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭১ চনৰ যুদ্ধত প্ৰাণ হেৰুওৱা ভাৰতীয় বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। কলকাতাৰ ফৰ্ট উইলিয়ামত থকা সেনাবাহিনী ইষ্টাৰ্ণ কামাণ্ডৰ মুখ্য কাৰ্যালয়ত বিজয় দিৱসৰ বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছু সময়ৰ পাছতে লামডিং সমষ্টিৰ ২৫ হাজাৰতকৈও অধিক মহিলা হিতাধিকাৰীক উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব। হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেলপথাৰত এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। অনুষ্ঠানত জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থকাৰ কথা।

০০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪৭১ বিঘা ভূমিত আজি পুৱাৰেপৰা প্ৰশাসনে উচ্ছেদ অভিযান চলাইছে। অহা ২০ ডিচেম্বৰলৈ চলিবলগীয়া এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষী-জোৱান নিয়োগ কৰা হৈছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে এই চৰকাৰী ভূমি দখল কৰি একাংশ লোকে মীন পালনৰ বাবে পুখুৰী খননৰ ব্যৱস্থা কৰিছিল। প্ৰশাসনে জাননী জাৰি কৰি অঞ্চলটো দখলমুক্ত কৰাৰ বাবে আজি উচ্ছেদ অভিযান আৰম্ভ কৰে। এই অনুসৰি অঞ্চলটোৰ শালনাবাৰী, ভেৰভেৰী বিল, টুকটুকী, আহোম গাঁও, কটহগুৰি আৰু ৰৌমাৰী বিলত উচ্ছেদ চলোৱা হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

ৰাজ্যৰ পশুপালন, পশুচিকিৎসা আৰু মীন মন্ত্ৰী কৃষ্ণেন্দু পালে কালি দৰং জিলাত ৰূপায়িত বিভাগীয় আঁচনিসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰে। জিলাখনত মীন বিভাগে কেন্দ্ৰীয় চৰকাৰৰ প্ৰায় ৩৩ কোটি টকা অনুদানেৰে ৰূপায়ণ কৰা গৰুখুটি সংহত একুৱা পাৰ্ক, মঙলদৈৰ গেৰিমাৰীত মাছৰ পোনা পালন প্ৰকল্প আৰু লোকনিৰ্মাণ বিভাগৰ কাম-কাজসমূহৰো তেওঁ বুজ লয়। শ্ৰী পালে লেহেমীয়া হৈ থকা আঁচনিসমূহৰ কাম-কাজ ক্ষিপ্ৰতাৰে কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে তেওঁ গৰুখুটি বহুমুখী কৃষি প্ৰকল্প পৰিদৰ্শন কৰে।

০০০০০০০

অসম MASTER GAMES সন্থাৰ উদ্যোগত নগাঁও নুৰুল আমিন ষ্টেডিয়ামত যোৱা ১২ৰ পৰা ১৪ ডিচেম্বৰলৈ অনুষ্ঠিত সপ্তম সদৌ অসম MASTER GAMES প্ৰতিযোগিতাত ধেমাজি জিলাৰ ১৫ গৰাকী প্ৰতিযোগীয়ে অংশ লৈ স্থান অৰ্জন কৰিছে। এই প্ৰতিযোগিতাত জিলাখনৰ দলটো শ্ৰেষ্ঠ যোগাসন দল হিচাপে বিবেচিত হয়।

০০০০০০০

**সমাপ্ত**